অনাতাঁৰ ধাৰাৱাহিক – অবিৰত খোজ ...

খণ্ড – ৪৫ পৰিৱেশ – হিতৈষী প্ৰযুক্তি আৰু সেউজ অট্টালিকাৰ কথা

জ্ঞানশ্ৰী ভট্টাচাৰ্য্য

**( মূল লেখনিৰ আধাৰত)**

চৰিত্ৰ সমূহঃ

১. অধ্যাপিকা শৰ্মা – পৰিৱেশ বিজ্ঞানী
২. বনানী - গৱেষিকা ছাত্ৰী
৩. কিশোৰ - গৱেষক ছাত্ৰ
৪. গৌৰৱ – জীৱবিজ্ঞানৰ প্ৰবক্তা
৫. তিলক – নিৰ্মাণ খণ্ডৰ ব্যৱসায়ী আৰু জৈৱ খেতিয়ক
৬. ধৰিত্ৰী – সাংবাদিক

(শীৰ্ষক গীত আৰু ঘোষণা)

দৃশ্য ১

( দ্বিতীয় অধিবেশনৰ বক্তৃতাৰ প্ৰায় শেষ অংশ চলি আছে)

অধ্যাপিকা শৰ্মা – সেয়েহে ৰাইজ। আৰু দুটামান কথাৰে মই মোৰ কথা সামৰিব খুজিছোঁ ...। আমাৰ মাজৰে বহুতেই ভাৱে যে উন্নয়ন মানেই হৈছে চমক। আৰু তেনে চমক লগোৱা, বিলাসীতা আৰু আৰামদায়ক উন্নয়নৰ বাবে আমি যথেষ্ট কষ্ট কৰিব লাগিব আৰু তাৰ বাবে আমি আমাৰ প্ৰাকৃতিক উৎসসমূহ যধে-মধে খৰচ কৰিব লাগিব। কিন্তু মূল সমস্যাটো হৈছে আমাৰ প্ৰাকৃতিক সম্পদসমূহ তেনেই সীমিত। সম্পদৰ এই উৎসবোৰ যেতিয়া এদিন শেষ হ'বৈগ তেতি্যা আমি কি কৰিম? ... আৰু আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল উন্নয়ননো কি? শান্তি নে সমৃদ্ধি? গছ-গছনি হৈছে পৃথিৱী আৰু পৃথিৱী বাসীৰ বাবে এক অকৃত্ৰিম আশিৰ্বাদ ... এইবোৰে ভূমিক্ষয় ৰোধ কৰে ... পানী শোষণ কৰে আৰু প্ৰয়োজন অনুসৰি পানীৰ যোগানো ধৰে। সেয়ে আমি আটায়ে সামূহিকভাৱে চিন্তা কৰি এটা সিদ্ধান্তত উপনীত হ'ব লাগিব ... যে আমি এই প্ৰাকৃতিক উৎৎসসমূহক শোষণ কৰি চমক তথা বিলাসী, আৰামী আৰু মিছা গৰিমাৰ জীৱনযাপন কৰিম নে আমাৰ পিছৰ প্ৰজন্মৰ বাবে এখনি সুন্দৰ সেউজী ধৰিত্ৰী এৰি থৈ যোৱাৰ ব্যৱস্থা কৰিম??

(হাততিলিৰ শব্দৰে প্ৰাক্ষাগৃহ ভৰি পৰে)

কিশোৰ – তেখেতে কৈ কৈছে মই একোৱে বুজিব পৰা নাই!

তিলক – ৰ'বা কিশোৰ! ৰ'বা ... আগেয়ে শুনি লোৱাছোন!

অঃ শৰ্মা – আপোনালোকৰ উপস্থিতিৰ বাবে অশেষ ধন্যবাদ! যদি আপোনালোকৰ কিবা সুধিবলগীয়া আছে, তেন্তে প্ৰশ্ন সুধিব পাৰে। হয় ... আপুনি কিবা ক'ব নেকি? আপোনাৰ নামটো কৈ আৰম্ভ কৰক!

তিলক – নমস্কাৰ! মই  তিলক ডেকা। যোৱা দহ বছৰ ধৰি মই জৈৱিক কৃষিপাম এখন চলাই আছোঁ। মই – অট্টালিকা নিৰ্মাণৰ ব্যৱসায়তো জড়িত।

অঃ শৰ্মা – বৰ ভাল কথা!

তিলক – বাইদেউ! সেউজীকৰণ কৰিলেই গোলকীয় উষ্ণতা বৃদ্ধিৰ সমস্যাটো হ্ৰাস পাবনেকি? নে আমি আৰু অইন কিবা উপায়ো ল'ব লাগিব?

অঃ শৰ্মা – তিলক! আপুনি বধকৰোঁ দেৰিকৈ আহিছে। মই এই বিষয়টো ইতিমধ্যে আলোচনা কৰিছোঁ। আপুনি বাৰু সেইজ অট্টালিকা আৰু সেউজ অট্টালিকা প্ৰযুক্তিৰ বিষয়ে শুনিছে নেকি?

তিলক – সে- উ-জ অট্টা-লিকা ... প্ৰ যু ক্তি? নাই। এয়া প্ৰথম শুনিলোঁ।

অঃ শৰ্মা – তেনেহ'লে এই লৈ আমি আৰু অলপ আলোচনা কৰোঁ। এই আলোচনাত আমাক সহয় কৰিব, জীৱন বিজ্ঞানৰ সহকাৰী অধ্যাপক গৌৰৱ, গৱেষক ছাত্ৰ কিশোৰ আৰু গৱেষিকা বনানীয়া।

তিনিও – হ'ব বাইদেউ।

গৌৰৱ – এইখিনিতেই এটা কথা কৈ থোৱা ভাল। জীৱ বিজ্ঞান মানে বায়'লজিৰ কথা আমি আটায়ে জানো ... কিন্তু জীৱনবিজ্ঞানৰ কথা সকলোৱে গম নাপায়। জীৱনবিজ্ঞানৰ ইংৰাজীতে মাইফ চাইন্সেজ বুলি কয়। কেতিয়াবা বায়'লজিকেল চাইন্সেজ ...। ই জীৱবিজ্ঞান, পৰিৰশ – প্ৰগতি সকলোকে সাঙুৰি লোৱা এক বিশাল বিষয় ...

অঃ শৰ্মা – বাৰু, আমি সকলোৱে গোলকীয় উষ্ণতাৰ কথা জানো। ইয়াৰ পৰা আমি কেনেদৰে আমাৰ পৰিৱেশক ৰক্ষা কৰিব পাৰোঁ, আমি সেয়াও ভালদৰে জানো, নহয়নে বাৰু?

শ্ৰোতা – হ-য়!

অঃ শৰ্মা- যোৱা কেবাটাও দশকত পৃথিৱীৰ স্বাস্থ্য আৰু ইয়াৰ সুস্থতা সম্পৰ্কে বিজ্ঞানীসকলে অধ্যয়ন কৰি আহিছে। ইয়াৰ ফলস্বৰূপে তেওঁলোকে কিছুমান স্কেল বা মানক নিৰ্ধাৰণ কৰি দিছে। এইবোৰৰ সহায়ত আমি পৃথিৱীৰ পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাত দৃঢ় পদক্ষেপ ল'বগৈ পাৰিম। এনেধৰণৰ নবিধ স্কেল আছে। প্ৰতিবিধ স্কেল বা সুচকাংকৰ বাবে সময়সীমাও নিৰ্ধাৰিত কৰা হৈছে। যদিহে সেই সীমা ভালদৰে মানি চলা

নহয়, তেনেহ’লে পৃথিৱীৰ পৰিৱেশৰ ভাৰসাম্য নষ্ট হ’ব আৰু আমি তাৰ কুফল ভোগ কৰিব লাগিব। প্ৰথম সূচকাংকটো হৈছে ভূমিৰ ব্যৱহাৰ ... ইয়াৰ ভিতৰত পৰে কৃষিকাৰ্য্য, শতকৰা পোন্ধৰ ভাগ ভূমি কৃষিকাৰ্য্যৰ বাবে সৰ্বোচ্চ সীমা। বৰ্তমান শতকৰা বাৰ ভাগ ভূমিহে কৃষিকাৰ্য্যৰ বাবে ব্যৱহাৰ হৈ আছে।

গৌৰৱ – তাৰমানে আমি ভূমিৰ ব্যৱহাৰ সুচকাংকত নিৰ্ধাৰিত সীমা লংঘন কৰা নাই. সেয়াতো বৰ ভাল কথা, নহয় জানো বাইদেউ!

অঃ শৰ্মা – ঠিকেই কৈছে, গৌৰৱ! বাৰু, বাকীখিনি, বনানী ... তুমি?

বনানী – নিশ্চয় বাইদেউ, নিশ্চয়!! দ্বিতীয় সুচকাংকটো হৈছে – জৈবিচিত্ৰতাৰ শোষণ বা অৱলুপ্তি বা অপব্যৱহাৰ। এই সচকাংকটোৰ নিৰ্ধাৰিত সীমা হৈছে প্ৰতি দহ বছৰত প্ৰতি দহ লাখৰ ভিতৰত মাত্ৰ ১০ বিধ প্ৰাণীবৰ্গহে , কিন্তু এই সূচকাংক কেতিয়াবাই পাৰ হৈ গৈছে। বৰ্তমানো এইহাৰ প্ৰতিভছৰে প্ৰতি দহলাখৰ ভিতৰত এশ বিধ প্ৰাণীবৰ্গ!!

কিশোৰ  - মানে নিৰ্ধাৰিত হিচাপতকৈ একেবাৰে দহ গুণ বেছিকৈ এই...

গৌৰৱ- সুচকাংক চলি আছে।

শ্ৰোতাসকল – বাপৰে বাপ! দহ গুণ বেছি!! এইটো আচলতে এটা মহাবিপদৰেই সংকেত।

কিশোৰ – তৃতীয় সূচকাংকটোক কোৱা হয় জলবায়ুৰ পৰিৱৰ্তন নিয়ন্ত্ৰণ। বায়ুমণ্ডলত কাৰ্বন- ডাই-অক্সাইড গেছৰ থাকিবলগীয়া পৰিমাণ নিৰ্ধাৰিত হৈছে – প্ৰতি নিযুতত তিনিশ পন্ছাশটা কণা, মানে ৩৫০ পি পি এম। পি পি এমৰ অৰ্থ হিছে পাৰ্টচ পাৰ মিলিয়ন. পি পি এম এককৰে প্ৰদুষণ জোখা হয়। কিন্তু বৰ্তমান এই সূচকাংক হৈছেগৈ ৪১০ পি পি এম।

বনানী আৰু গৌৰৱ – বহুত বেছি নহয় নে?

শ্ৰোতা – হয়! বহুত বেছি।

বনানী – ইয়াৰ পৰাই বুজিব পাৰি যে পৃথিৱীৰ পৰিৱেশৰ ভাৰসাম্য কিমান বেয়া ধৰণে নষ্ট হৈছে।

অঃ শৰ্মা – আৰু চতুৰ্থ সূচকাংকটো হৈছে অ’স্ম’চিচ্ মানে সাগৰৰ আশ্ৰৱণ. আশ্ৰৱণ হৈছে তৰলত মিহলি হৈ থকা পদাৰ্থ ছিদ্ৰ-থকা পাতল-াৱৰণৰ – মাজেৰে অন্য তৰললৈ যোৱা। জীৱকোষ আৰু উদ্ভিদকোষৰ বাবে এয়া এক অপৰিহাৰ্য্য প্ৰক্ৰিয়া।

গৌৰৱ – ইয়াৰ উৰ্ধসীমা হৈছে দুই দশমিক সাত পাচঁ মানে পোনে তিনি কিন্তু আমাৰ কাৰ্য্যকলাপৰ ফলস্বৰূপে এই সূচকাংকৰ মান হৈছেগৈ দুই দশমিক ন শূন্য মানে প্ৰায় তিনি অ’মেগা একক।

তিলক - অধ্যাপিকা বাইদেউ। মানুহে যেন সকলো নিয়ম বিসর্জন দিবলৈ শপতহে খাইছে আপ্পুনাৰ কথা শুনি মোৰ তেনেকুৱাহে ভাৱ হ’ব ধৰিছে।

ধৰিত্ৰী - হয়, আপুনি একেবাৰে সচাঁ কথাকেই কৈছে। কিন্তু এই সূচকাংক বিলাকৰ ঊৰ্ধসীমা অতিক্ৰম কৰাটোৱে কোনো জয় বা গৌৰৱ নুসূচায়, এয়া মানুহৰ আত্মঘাতী পৰাজয় হে। ইয়ে আমাৰ পৃথিৱীকো অচিৰেই ধ্বংস কৰি পেলাব।

অঃ শৰ্মা - হয়, আপুনি ঠিক কথাকে কৈছে, এ্যা মানৱৰ পৰাজয়। বাৰু, আপোনাৰ নামটোজানিব পাৰোঁনে?

ধৰইত্ৰী - মোৰ নাম ধৰিত্ৰী শইকীয়া। মই সাংবাদিক।

অঃ শৰ্মা - বাইদেউ নমস্কাৰ! আপোনালোকৰ লিখা-মালাৰ জৰিয়তে সমাজক সচেতন কৰোৱাৰ সময় আহি পৰিছে, নহয়নে বাৰু?

ধৰিত্ৰী - ময়ো তাকেই ভাবোঁ।

গৌৰৱ - পিছে, লিখা - মেলা কৰিলাই বা, কোনেনো পঢ়ে? অলপতে মহাপ্ৰয়াণ ঘটা বিশিষ্ট পদাৰ্থবিজ্ঞানী ষ্টিফেন হকিঙে কৈছিল যে, পৃথিৱীৰ মানুহৰ বাবে আৰু মাত্ৰ এশতা বছৰহে আছে। এই এশ বছৰৰ ভিতৰতেই মানুহে অইন গ্ৰহত বসতি আৰম্ভ কৰিব লাগিব, কাৰণ আমাৰ এই পৃথিৱী তেতিয়ালৈ বাসৰ অনুপযোগী হৈ পৰিব।

অঃ শৰ্মা - হয়, অধ্যাপক ব্ৰুৱা, সময়েহে ক’ব এশ বছৰেই আছে নে এহেজাৰ বছৰেই আছে ... কিন্তু এইটো নিশ্চিত যে আমি আমাৰ অপকৰ্মৰ জৰিয়তে নিজকে বিপদগ্ৰস্ত কৰি পেলাইছোঁ। এই হাৰ অব্যাহত থাকিলে, ধ্বংসৰ বাবে বেছি দিন নাই ...

তিলক - বাইদেউ! আপুনি আমাৰ পৃথিৱী আৰু ইয়াৰ পৰিৱেশ নষ্ট কৰা কিছুমান প্ৰাচলৰ বিষয়ে আলোচনা কৰি আছিলে।

অঃ শৰ্মা - হয়, হ্য! আপুনি ঠিকেই মনত পেলাই দিলে। ধন্যবাদ! ইয়াৰ পিছত বাৰু আমি সেউজ অট্টালিকাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম। পঞ্ছম সূচকাংকটো হৈছে পৃথিৱীৰ সমতাপ মণ্ডল, মানে, স্ট্ৰেটোস্ফিয়াৰ পৰ্য্যায়ত থকা অ’জ’নৰ স্তৰটো ৰক্ষা কৰা। ইয়াক জোখা এককটোৰ নাম হৈছে - ডবসন একক। ইয়াৰ বাবে ধাৰ্য্য কৰা উচ্চতম সীমা হৈছে ২৭৫ ডবসন একক। মন্ত্ৰিয়েল চুক্তি আৰু কিঅ’ট’ প্ৰট’কলৰ পৰৱৰ্তী পৰ্য্যায়ত এই সূচকাংক হৈছেগৈ ২৮৩ ডবসন একক। তাৰ মানে এই দিশত আমি এতিয়া বেছ ভাল অৱস্থাতেই আছোঁ। নহয়নে?

দৰ্শক - নিশ্চয়, কিন্তু ...

বনানী – এতিয়াও আমাৰ অ'জন আৱৰণ ৰক্ষা কৰাৰ বাবে ভালেখিনি কৰিবলগীয়াই আছে।

অঃ শৰ্মা – আকৌ চাউক, ৰাসায়নিক সাৰ যধে-মধে ব্যৱহাৰ কৰাৰ ফলত পৃথিৱীৰ মাটি ভাগৰ নাইট্ৰ'জেন আৰু ফছফৰাছৰ ভাৰসাম্যক ৰক্ষা কৰা হৈছে ষষ্ঠ সূচকাংক হিচাপে। নাইট্ৰ'জেন ব্যৱহাৰৰ বাবে নিৰ্ধাৰিত উচ্চসীমা হৈছে বছৰে প্ৰতি তিনি দশমিক ন শুণ্য লাখ টন, কিন্তু সেউজ বিপ্লৱৰ পৰৱৰ্তী কালছোৱাত অত্যধিক কৃষিকাৰ্য্যৰ ফলস্বৰূপে এই সীমা লঙ্ঘন কৰা হৈছে। ইয়াৰ মান এতিয়া বছৰে প্ৰতি তেৰ দশমিক তিনি শূণ্য লাখ টনেই হৈছেগৈ। নিৰ্ধাৰিত মানৰ প্ৰায় তিনি গুণেই বেছি।

অঃ শৰ্মা – সপ্তম সূচকাংক হৈছে পানীৰ ব্যৱহাৰ। বিজ্ঞানী সকলে ধাৰ্য্য কৰা এই সূচকাংকৰ উচ্চ সীমা হৈছে প্ৰতি বছৰে চাৰি হেজাৰ গন কিল'মিটাৰ। বৰ্ত্তমান এই সূচকাংকৰ মান হৈছে বছৰে প্ৰতি ছাব্বিশ শ ঘন কিল'মিতাৰ। তাৰমানে এতিয়াও আমি এই সূচকাংক ব্যৱহাৰৰ উচ্চসীমা লংঘন কৰিব পৰা নাই।

গৌৰৱ- অষ্টম সূচকাংক হৈছে বায়ুত মিহলি হৈ থকা তৰল আৰু গোটা পদাৰ্থ কণা, যিবিলাকক এ'ৰ'ছল বোলে, তাৰ পৰিমাণ। নৱম সূচকাংক হৈছে ৰাসায়নিক প্ৰদূষণ। এই দুই সূচকাংকৰ উচ্চসীমান এতিয়াও ধাৰ্য্য কৰা হোৱা নাই।

কিশোৰ – তাৰমানে বাইদেউ! আমি মানুহবোৰে পৃথিৱীৰ ভালৰ কাৰণে ঠাৱৰ কৰা নটা সূচকাংকৰ ভিতৰত তিনিটাৰ উচ্চসীমা অতিক্ৰম কৰিছো আৰু চাৰিটাই উচ্চসীমাৰ একেবাৰে কাষ পাইছে?

গৌৰৱ – একেবাৰে সচাঁ কথা কিশোৰ! এইখিনিতে আৰু এটা কথা, আমেৰিকাৰ তথ্যমতে ... ইতিমধ্যে আমি তিনিটা নহয়, পাচঁটা প্ৰাচলৰ সীমা অতিক্ৰম কৰিছোঁ। শেষৰ দুটা সূচকৰ উচ্চ সীমা এতিয়াও ধাৰ্য্য কৰা হোৱা নাই সচাঁ, কিন্তু বিভিন্ন ধৰণৰ প্ৰদূষণ আৰু সেইবোৰৰ প্ৰভাৱ চাই ক'ব পাৰি যে সেই উচ্চসীমান নিশ্চয় কেতিয়াবাই লংঘন কৰা হৈ গৈছে। ফলস্বৰূপে যি পৃথিৱীয়ে হেজাৰ হেজাৰ বছৰ ধৰি আমাক লালন পালন কৰি আহিছিল, সেই পৃথিৱীয়েই আমাক ধ্বংস কৰাৰ প্ৰধান কাৰণ হৈ পৰিছে ...

তিলক – গৌৰৱ, তুমি দেখোন একেবাৰে ভয় খোৱাৰ কথাই কৈছা। বাইদেউ, ইয়াৰ কিবা সমাধান আছেনে? আছে যদি সেয়ে কেনেদৰে হ'ব?

অঃ শৰ্মা – এৰা, সময় চমু চাপি আহিছে। নতুন প্ৰযুক্তিবিদ্যাৰ সহায়ত এই সমস্যা সমাধান কৰিবলৈ চিন্তা-চৰ্চা কৰা হৈছে। গোলকীয় উষ্ণতা বৃদ্ধি কৰা গেছবোৰৰ মাত্ৰা কমাবলৈ বিভিন্ন উপায় উদ্ভাৱন কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে সেউজ অট্টালিকা, সংকৰ বা হাইব্ৰিড গাড়ী, বেটাৰী চালিত যাবাহন, শক্তি দক্ষ যন্ত্ৰ- পাতি যেনে এলইডি আৰু চিএফএল বৈদ্যুতিক সাধন আদি।

ধৰিত্ৰী – অ' তেনেহ'লে আমাৰ পৃথিৱীখন যাতে বসবাস যোগ্য হৈ থাকে আৰু ইয়াৰ পৰিৱেশ জীৱনৰ অনুকুল হৈ থাকে তাৰ বাবে ◌মি অতি খৰতকীয়াকৈ ব্যআপকভাৱে কামত লাগি যোৱা উচিত ...

কিশোৰ – হয় হয়!! আৰু সেউজ অট্টালিকাবোৰ হৈছে – সম্প্ৰতি ব্যাপক গুৰুত্ব লাভ কৰা সেউজ প্ৰযুক্তিৰ এটা অংহে। ইংৰাজীতে ইয়াক গ্ৰীণ টেকন’ল’জি বোলে। সেউজ প্ৰযুক্তিৰ প্ৰধান লক্ষ্যই হৈছে পৃথিৱীৰ উষ্ণতা বঢ়োৱা গেছৰ নিৰ্গমন কম কৰা।

ধৰিত্ৰী – তাৰ মানে সেউজী গৃহ প্ৰভাৱ সৃষ্টি কৰা গেছবোৰ?

অঃ শৰ্মা – এৰা, ঠিক সেইটোৱেই।

তিলক – বাৰু বাইদেউ! সেউজ প্ৰযুক্তিৰ এটা আমি বুজিব পৰা উদাহৰণ দিয়কচোন!

অঃ শৰ্মা – গৌৰৱ।

গৌৰৱ – হ’ব বাইদেউ! চাউক, সমগ্ৰ দেশতে বা বিশতেই গোটেই বছৰ জুৰি ঘৰ সজা কাম চলি থাকে। ফলস্ৰূপে, চিমাণ্ট প্ৰচুৰ পৰিমানে ব্যৱহাৰ হয় আৰু এয়া অপৰিহাৰ্য্য। বছৰে বছৰে ঘৰ সজাৰ সংখ্যা আৰু চিমেণ্টৰ ব্যৱহাৰ দুয়োটা একে হাৰতে বাঢ়ি গৈ আছে। কেৱল ২০০৯ বছৰটোতেই ২৮০ লাখ টন চিমেণ্ট প্ৰস্তুত হৈছে। এই চিমেণ্টে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা শতকৰা পাচঁ ভাগ বঢ়াইছে। বাৰু তিলক, আপুনি চিমেণ্ট প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াটো জনাব নেকি?

তিলক – হয়, চিমেণ্ট প্ৰস্তুতকৰণত ব্যৱহৃত সামগ্ৰী কেইবিধ হৈছে – চুণ, শিল, বালি আৰু মিহিবোকা। এই সামগ্ৰী কেইবিধ ১৪০০° চেণ্টিগ্ৰেডলৈ গৰম কৰা হয়। কয়লা আৰু প্ৰাকৃতিক গেছো চিমেণ্ট প্ৰস্তুত কৰাত ব্যৱহাৰ হয়।

কিশোৰ – এক টন পৰ্টলেণ্ড চিমেণ্ট প্ৰস্তুত কৰোঁতে প্ৰায় সাৰে ছশৰপৰা ন শ কিল’গ্ৰামলৈকে কাৰ্বন-ডাই-অক্সাইড গেছ বায়ুমণ্ডলত এৰি দিয়া হয়।

ধৰিত্ৰী – ২০০৯ চনৰ এক অধ্যয়ন মতে কেৱল চিমেণ্ট উৎপাদনৰ জৰিয়তেই বায়ুমণ্ডলত প্ৰায় দুশ লক্ষ টন কাৰ্বন-ডাই-অক্সাইড গেছ জমা হৈছে।

গৌৰৱ – লণ্ডনৰ এটা কোম্পানীয়ে এই সমস্যাটোৰ এটা সমাধান উলিয়াইছে। তেওঁলোকে এবিধ নতুন চিমেণ্ট উদ্ভাৱন কৰিছে। এইবিধ চিমেণ্টে উৎপাদনৰ সময়ত উদ্ভৱ হোৱাতকৈ বেছি পৰিমানৰ কাৰ্বন-ডাই-অক্সাইড গেছ শোষণ কৰে।

তিলক – ঔৱা! এয়াতো ওলোটা- পুৰাণ! নোহোৱা নোপোজা কথা!!

অঃ শৰ্মা – এৰা! ঠিক তেনেকুৱাই হাঃ হাঃ। এই নতুন চিমেণ্টৰ প্ৰতি টনে এশ কিল’গ্ৰামলৈ সেউজীগৃহ গেছ শোষণ কৰে। ইম্পিৰিয়াল কলেজ, লণ্ডনত এই নতুন চিমেণ্ট উদ্ভাৱন কৰা হৈছে। এই পদ্ধতিয়ে সেউজ প্ৰযুক্তিত নতুন মাত্ৰা সংযোগ কৰিছে। নিক’লাচ্ ভ্লাচ’পৌলাচ হৈছে ইয়াৰ উদ্ভাৱক।

বনানী- অইন বহুতো আৱিষ্কাৰৰ নিচিনাকৈ এইটোও বাৰু কাকতালীয় ঘটনা নেকি? মানে হঠাৎ আৱিষ্কাৰ হোৱা কিবা?

অঃ শৰ্মা – নহয়। এদিলাখন গৱেষণাগাৰত ভ্লাচ’পৌলাচে প’র্টলেণ্ড চিমেণ্ট আৰু মেগনেছিয়াম অক্সাইডৰ বিক্ৰিয়াৰ ফলত উৎপন্ন হোৱা চিমেণ্টৰ ধৰ্ম অধ্যয়ন কৰি আছিল। প’র্টলেণ্ড চিমেণ্টৰ অনুপস্থিতিত মেগনেছিয়াম যৌগৰ দ্বাৰা উৎপাদিত মৌলত যেতিয়া পানী ঢলা হ’ল, তেতিয়া চিমেণ্ট উৎপাদিত হ’ল। এই নতুন চিমেণ্ট উৎপাদন প্ৰক্ৰিয়াত চূনশিলৰ দৰকাৰ নহ’ল। এইটো ডাঙৰ কথা। ইয়াৰ পৰা তেওঁ সিদ্ধান্ত কৰিলে যে, বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড আৰু মেগনেছিয়ামে বিক্ৰিয়া কৰি কাৰ্বনেট প্ৰস্তুত কৰে। এই প্ৰক্ৰিয়াত চিমেণ্ট বেছি মজবুত হয় আৰু কাৰ্বন-ডাই-অক্সাইড শোষিত হয়।

কিশোৰ আৰু ধৰিত্ৰী – এয়াতো বেছ যুগান্তকাৰী উদ্ভাৱন। এই গৱেষণা কিমান দূৰ আগবাঢ়িছে বাৰু?

গৌৰৱ – সেউজ প্ৰযুক্তিৰ সৈতে সংগতি ৰাখি ইয়াক সেউজ চিমেণ্ট বোলা হৈছে। ইংৰাজীতে গ্ৰীণ চিমেণ্ট। তেওঁ ভাৱে এই নতুন চিমেণ্টক অতি সোনকালেই বজাৰলৈ আনিব পৰা যাব। এই দিশত অতি ক্ষিপ্ৰতাৰে কাম আগ বাঢ়ি আছে কাৰণ এইটোৱেই এতিয়া বেছ – ভাল সমাধান যেন লাগিছে।

তিলক – কাৰ্বন-ডাই-অক্সাইড শোষণ কৰিব পৰা ক্ষমতা থকা এই ধৰণৰ সেউজ চিমেণ্ট আৰু ক’ৰবাত প্ৰস্তুত কৰাৰ কাম চলিছেনে?

অঃ শৰ্মা – এটা আমেৰিকান কোম্পানীয়েও ইয়াক প্ৰস্তুত কৰাৰ বাবে কাম কৰি আছে। অতি সোনকালেই অট্টালিকাবোৰ সেউজ চিমেণ্ট ব্যৱহাৰ কৰি সজা হ’ব। সেউজীয়া গছ-গছনিৰ দৰেই সেইজ চিমেণ্টে কাৰ্বন-ডাই-অক্সাইড গেছ শোষণ কৰিব আৰু বেয়ুমণ্ডলক বিশুদ্ধ কৰাত প্ৰভূত অৰিহণা যোগাব। সেইবাবে সেউজ চিমেণ্টে পৃথিৱীৰ ত্ৰাণকৰ্তা ৰূপেও কাম কৰিব।

তিলক – এই সেউজ চিমেণ্ট কেতিয়াকৈ বজাৰত আহিব? আহিলে কিন্তু মই এই চিমেণ্টেৰেই মোৰ সকলো নিৰ্মাণৰ কাম কৰিম।

অঃ শৰ্মা – বৰ ভাল কথা! অকল তিলকেই নহয়, আপোনালোকেও কৰিব। নহয়নে বাৰু ...

বাকী – নিশ্চয় কৰিম। এই বিকল্প চিমেণ্টেই আমাৰ ত্ৰাণকৰ্তা হ’বগৈ যেন পাইছো।

অঃ শৰ্মা – নিশ্চয়! নিশ্চয়!! বাৰু নমস্কাৰ! আপোনালোকে আটাইকে ধন্যবাদ জ্ঞাপণ কৰি মই মোৰ বক্তব্যৰ সামৰণি কৰিলোঁ।

গৌৰৱ- যদি আপোনাক কিবা সুধিবলগীয়া থাকে, আমি আপোনাক ক’ত লগ পাম বাৰু?

অঃ শৰ্মা – মোৰ কাৰ্য্যালয়লৈ আহব। এনেবোৰ আলোচনাৰ বাবে মোৰ কাৰ্য্যালয়ৰ দুৱাৰ আপোনালোকৰ বাবে সদায়েই খোলা। নমস্কাৰ!

( হাততালিৰ শব্দ)

দৃশ্য ২ (দৃশ্য বদলৰ সংগীত, কাৰ্য্যালয়ৰ ৰাষ্টাত খোজকাঢ়ি অহাৰ শব্দ। চৰাই-চিৰিকতিৰ কাকলি।)

অঃ শৰ্মা – ঠিক আছে, গৌৰৱ! আমি তেনেহ'লে এই বাগিছাতেই খোজ কাঢ়ি কাঢ়ি কথা হওঁ ... আচল কথা কি জানা? প্ৰযুক্তিবিদ্যা সকলোতেই আছে কিন্তু সচেতনতাৰ অভাৱৰ বাবে সেয়া মানুহে ব্যৱহাৰ বা উপভোগ কৰিবলৈ অপাৰগ হয়। ধৰিত্ৰী বাইদেউ! এতিয়া আপোনালোকে লিখনীৰ জৰিয়তে মানুহক এই সেউজ অট্টালিকা আৰু সেউজ প্ৰযুক্তিৰ বিষয়ে যিমান পাৰে ব্যাপকভাৱে জনোৱাৰ ব্যৱস্থা কৰক।

কিশোৰ – বাইদেউ! সেউজ প্ৰযুক্তিটো বেছ খৰচী হবগৈ যেন লাগিছে। সেই হিচাপত সেউজ অট্টালিকাৰ নিৰ্মাণো সৰ্বসাধাৰণৰ বাবে সহজ্জ নহ'বগৈ যেন লাগিছে। সকলোৱে দাঙিব পৰাকৈ ইয়াৰ দামো কমিব লাগিব আৰু ইয়াৰ বাবে প্ৰয়োজনীয় উপাদানবোৰো কম খৰচী হ'ব লাগিব। .. মানে বাইদেউ... 'লেঠা' টো ঠিক ...

শৰ্মাৰ বাদে বাকীবোৰ - ... নিকা সৌৰশক্তি প্ৰযুক্তিৰ দৰেই হয়গৈ নেকি?

ধৰিত্ৰী – টেক্ন'লজি এভেইলেবেল .... বাট

বাকীবোৰ - ... নট এফৰ্ডেবল!! হাঃ হাঃ

অঃ শৰ্মা – একেবাৰে সচাঁ কথা কিশোৰ! মানে পৰিৱেশ- হিতৈষী প্ৰযুক্তি উদ্ভাৱণ হৈছে, কিন্তু এতিয়াও সেইবোৰ সৰ্বসাধাৰণে ঢুকি পোৱা ধৰণৰ হৈ উঠা নাই ...!! আজিৰ দিনত ডাঙৰ ডাঙৰ কোম্পানীবিলাকে যেতিয়া তেওঁলোকৰ অট্টালিকাৰ পৰিকল্পনা কৰোতে কোনো আপোচ নকৰে। কাৰণ, তেওঁলোকে বিচাৰে তেওঁলোকৰ অট্টালিকাৰ পৰিকল্পনা বিলাক যেন মৌলিক আৰু অনন্য হয়। সেয়ে, এইবোৰ নিৰ্মাণ মূল্য ভেলেখিনি বাঢ়ি যায়।

বনানী – সেয়েহে সেউজ অট্টালিকা হৈ উঠিব ধনীসকলৰ একচেটিয়া অধিকাৰ তথা সম্পদ।

অঃ শৰ্মা – তুমি সঠিক চিন্তাই কৰিছা বনানী। .. পিছে আৰম্ভণিতে তেনে হ'লেও, পিছলৈ কম খৰচী সেউজ – প্ৰযুক্তিও নিশ্চয় ওলাব।

গৌৰৱ – বাৰু বাইদেউ! আমাৰ অসম আৰু উত্তৰ –পূবৰ ৰাজ্যবোৰত যিবোৰ পৰম্পৰাগত ঘৰ-দুৱাৰ আছে, সেইবোৰ সেউজ প্ৰযুক্তিৰ ঘাৰ হয় নে নহয়?

অঃ শৰ্মা – নিশ্চয় হয়. কিয় নহ’ব? পিছে সেইবোৰ পৰম্পৰাগত সেউজ প্ৰযুক্তিৰে সজা ঘৰহে, আধুনিক সেউজ প্ৰযুক্তিৰে সজা নহয়। কাঠ- বাহঁ, খেৰ, ইকৰা মাটিৰে সজা ঘৰবোৰ গ্ৰীষ্মকালত শীতল আৰু শীতকালত উষ্ণ। মানে পৰিৱৰ্তিত জলবায়ুৰ সৈতে সুন্দৰকৈ খাপখোৱা। লগত থাকে চোতাল আৰু গছ-গছনিৰে পূৰ্ণ বাৰী। সমুখত আৰু পাছফালে পুখুৰীবোৰত হাহঁ, মাছ উভৈনদী। ফলত প্ৰকৃতিৰ বোকোচাত, পৰকৃতিৰ কাষত আমাৰ মানুহে এক পৰিপূৰ্ণ শান্তিৰে জীৱন অতিবাহিত কৰে। এই আটাইবিলাক মিলি এক স্বয়ংসম্পুৰ্ণ একক আমাৰ গাৱঁৰ ঘৰবিলাক।

ধৰিত্ৰী – বাইদেউ! এনে পৰম্পৰাগত সেউজ- প্ৰযুক্তিৰ ঘৰ দুৱাৰ, মঠ-মন্দিৰ আদি দক্ষিণ-পূৱ এচিয়াৰ ভালেমান দেশতেই দেখি আহিছো। সেইবোৰ সচাঁকৈয়ে বৰ সুন্দৰ!!

গৌৰৱ – হয় হয়, এইবোৰ লৈ বিশেষ অধ্যয়ণ হ’ব পাৰে। .. বুজিছে বাইদেউ, মইতো তিলকক কৈয়ে থাকোঁ, গাড়ী মটৰ বাদ দি ‘সেউজ বাহন’ বুৱহাৰ কৰিবলৈ আৰম্ভ কৰা।

বনানী –হআঃ হাঃ হাঃ!! গৌৰৱদাক কিবা সেউজৰ ভূতে পালে যেন পাওঁ!! হাঃ হাঃ!!

ধৰিত্ৰী – সেউজ বাহন! ?? সেয়া আকৌ কি?

গৌৰৱ – কি আৰু হ’ব? না – তেল না- ডিজেল কেৱল ... আৱদ্ধ বায়ুৰ ওপৰত ভৰিৰ খেল ... পেডেল মাৰি মাৰি ... ।

আটায়ে – হাঃ হাঃ .. চাইকেল!! চাইকেল!!

গৌৰৱ – বাৰু বাইদেউ! সেউজ অট্টালিকাৰ সকলো তলা-নলা দেখোন বিদেশীৰ হাততে আছে।

অঃ শৰ্মা – এৰা কথাটো সঁচা। সময়ত হয়তো ই আমাৰো আয়ত্তলৈ আহিব। প্ৰকৃততে সেউজ প্ৰযুক্তিৰে কৰা অট্টালিকা বা বাসস্থানৰ কামটো প্ৰগতিশীল দেশবিলাকৰ পৰাহে আৰম্ভ হোৱা উচিত। কাৰণ সেউজীগৃহ গেছবোৰৰ বেছিভাগ নিৰ্গমণ হয় এই প্ৰগতিশীল দেশসমূহৰ পৰাই। সুখৰ কথা, আমাৰ দেশতো সেউজ প্ৰযুক্তিৰে সজা বাসস্থানৰ কাম আগ বাঢ়িব ধৰিছে।

কিশোৰ – আচলতে সেজী বাসস্থানৰ প্ৰকল্পক সফল কৰিবলৈ সকলোৱে আগবাঢ়ি অহা উচিত। অন্যথাই গোলকীয় উষ্ণতাৰ সমস্যাটো কেতিয়াও সমাধান নহ’ব।

গৌৰৱ – হয়, কিন্তু সমস্যাটো হৈছে প্ৰথম বিশ্বৰ দেশ কেইখন মানক লৈ। প্ৰথম বিশ্বৰ কেইখনমান দেশ গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে বহু পৰিমানেই দায়ী, বাইদেউ, আমাক সেউজ প্ৰযুক্তিৰে সজা অট্টাল্কিকা আৰু সেইবোৰৰ মান নিৰ্ধাৰণৰ বিষয়ে আৰু অলপ বহলাই বুজাই ক’বনে?

অঃ শৰ্মা – নিশ্চয়, নিশ্চয়!! আমাৰ দেশতো এনে মান নিৰ্ধাৰণ বা মূল্যায়ন কৰাৰ বাবে মান্ক প্ৰতিষ্ঠান আছে। কিন্তু বেছিভাগ দেশতেই শক্তি, বিনোদন, পৰিকল্পনা আদি বিভিন্ন মানকৰ বাবে আমেৰিকাৰ গ্ৰীণ বিল্ডিং কাউন্সিল নামৰ অনুষ্ঠানৰ মানকহে মানি চলে।

বাকীবোৰ - ... গ্ৰীণ বিল্ডিং মানি চলে।

ধৰিত্ৰী – হাৰে! কি আচৰিত?? যিখন দেশে আটাইতকৈ বেছি প্ৰদূষণ বিয়পায়, সেইখন দেশেই আকৌ সেউজ অট্টালিকাকে ধৰি সেউজ প্ৰযুক্তি ব্যৱহাৰৰ মানকো নিৰূপণো কৰে!! এক্কেবাৰে গছত গৰু উঠা কথা হাঃ হাঃ

গৌৰৱ – বিশ্ব নিৰ্মাণ পৰিষদ নামৰ প্ৰতিষ্ঠাটোৱেও অট্টালিকাৰ বাবে জনসাধাৰণক সচেতন কৰিবলৈ আগবাঢ়ি আহিছে। এই ক্ষেত্ৰত তেওঁলোকে বিশ্ববেংকৰ পৰা অনুদানো পাইছে।

তিলক – বাইদেউ! আমেৰিকা আৰু বিশ্ব বেংক দুয়োটাই পৰিকল্পনা বা আঢ়ি তৈয়াৰ কৰাৰ সময়ত উচ্চতৰ পৰ্য্যায়ৰ প্ৰযুক্তি ব্যৱহাৰ কৰে। সেয়েহে হয়তো সেউজ অট্টালিকা প্ৰযুক্তি ইমান বেছি খৰচী হৈ আছে। কিন্তু মই অলপতে ছট্টীসগড় ৰাজ্যৰ এটা ৰিপ’ৰ্টত দেখিলোঁ, তেওঁলোকে শতকৰা প্ৰায় বিশ ভাগ খৰচ ৰাহি কৰিব পৰাকৈ সেউজ অট্টালিকা সাজিছে।

কিশোৰ আৰু বনানী – হয় নেকি? কেনেকৈ বা?

অঃ শৰ্মা – সেই পৰিকল্পনা মতে তেওঁলোকে বায়ু চলাচলৰ বাবে পৰিৱেশ- হিতৈষী কৌশলৰ সহায় লৈছে, দুৱাৰ খিৰিকী বিলাকত সূৰ্য্যৰ পোহৰ পৰাকৈ ৰাখিছে ... আৰু সকলোতকৈ আমোদজনক কথাটো হৈছে – এই আঢ়িত তেওঁলোকে জৈৱ-শৌচআলয় মানে বায়’টয়েলট ব্যৱহাৰ কৰিছে।

ধৰিত্ৰী – জৈৱ-শৌচালয়! আমাৰ ৰ বিজ্ঞআনীয়ে উদ্ভাৱন কৰা সেই জৈৱ শৌচালয়?

কিশোৰ – হয়! এই প্ৰক্ৰিয়াত মলমূত্ৰ মিহলি পানীৰ সলনি মলমূত্ৰ নথকা পানীহে বাহিৰলৈ আহে। এই পানী কৃষিকাৰ্য্যত আকৌ ব্যৱহাৰ কৰিব পাৰি।

বনানী – তাৰ মানে সম্পদ পুনিৰব্যৱহাৰৰ প্ৰযুক্তি! এইটোও তেনেহ’লে সেউজ প্ৰযুক্তিৰ অন্তৰ্গত??

অঃ শৰ্মা – হয়। আমি প্ৰযুক্তি বিদ্যাত দিনে দিনে উন্নতি কৰি আছোঁ। প্ৰযুক্তিৰ মূল উদ্দেশ্য হৈছে উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰোঁতে কোনো পাৰ্শ্বপ্ৰভাৱ যাতে মানুহৰ স্বাস্থ্য আৰু প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নপৰে।

গৌৰৱ – কিন্তু কিবাটো পাৰ্শ্বপ্ৰভাৱ নিশ্চয় আছে!

কিশোৰ – হাঃ হাঃ !! তেনেদৰে চিন্তআ কৰিলে আমি পুনৰায় গুহবাসী আদিম মানৱহে হ’ব লাগিব!! চাওক, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আমাক আজিৰ এই স্থানলৈ আনিছে ... ইয়াৰ পৰা আমি আৰু অনেক সুফল লাভ কৰিব পাৰিম।

ধৰিত্ৰী – প্ৰযুক্তিৰ উন্নয়নৰ লগএ লগে আৰু সমানে সমানে মানৱতা যাতে সংকটত নপৰে, আমি সেই কথাও চিন্তা কৰিব লাগিব ... নহয়নে বাৰু?

আটায়ে – সেইটোৱেইটো আচল কথা, আচল লক্ষ্য।

তিলক – বাৰু বাইদেউ! মানুহৰ স্বাস্থ্যও ভালে থাকিব আৰু প্ৰাকৃতিক পৰিৱেশৰো ক্ষতি নহ’ব ... সেউজ অট্টালিকাৰ সহায়ত আমি এই দুয়োটা কথাই একেলগে কৰিব পাৰিম জানো?

অঃ শৰ্মা – প্ৰযুক্তিবিদ সকলেতো তেনেদৰেই ভাৱে। এই সেউজ অট্টালিকা সমূহত শক্তি, জল আৰু অন্যান্য সম্পদসমূহ অতি কাৰ্য্যদক্ষ আৰু হিচাপমতে ব্যৱহাৰ কৰি হয়। ফলস্বৰূপে কম বৰ্জ্য পদাৰ্থ, কম প্ৰদূস্সণেই ইয়াৰ বৈশিষ্ট্য। ফলত প্ৰাকৃতিক পৰিৱেশৰ ক্ষয়ক্ষতিও তেনএই কম।

বনানী – তাৰমানে এই সেউজ অট্টালিকা হৈছে আমাৰ গাওঁৰ ঘৰৰ নিচিনা।

অ শৰ্মা – এৰা, সচাঁ কথা! নগৰীয়া আৰামদায়ক জীৱন যাপনত অভ্যস্ত হোৱাৰ ফলত আজি আমি সমগ্ৰ বিশ্বই নতুনকৈ গ্ৰহণ কৰা প্ৰযুক্তিৰ আমি পিছপৰা বুলি ভাবিবলৈ শিকিছোঁ।

তিলক – হয় বাইদেউ! গ্ৰাম্য পৰ্য্যটন এতিয়া আকৌ নতুনকৈ আৰম্ভ হৈছে।

কিশোৰ – আমি আমাৰ নিজৰ মৌলিকতা আৰু পৰম্পৰাৰ পৰা আতঁৰি আহিছোঁ ... কৃত্ৰিমতাৰে পৰিপূৰ্ণ আমাৰ জীৱন, আমাৰ বাসস্থান, য’ত আমি মাটিৰ সলনি প্লাষ্টিক বা কংক্ৰীটৰ টাবত গছপুলি ৰুই যেন প্ৰকৃতিৰ অসীম সেউজক চুবলৈ চেষ্টা কৰোঁ।

ধৰিত্ৰী – বাইদেউ! আপুনি জলসম্পদ সংৰক্ষণ কৰাৰ কথাও আলোচনা কৰিছিল। আমাৰ প্ৰায় শতকৰা সত্তৰ ভাগ বোলে আমাৰ চহৰীয়া ঘৰবোৰত কেৱল বাথৰুম আৰু শৌচালয় ফ্লাচৰ বাবেই খৰচ হয়। হাঃ হাঃ হাঃ

অঃ শৰ্মা – এৰা. এই হিচাপ এতিয়া শতকৰা সত্তৰ ভাগতেই সীমাবদ্ধ হৈ থকা নাই। শতকৰা পচাঁশী ভাগৰো বেছি পানী ঘৰুৱা কামকাজ যেনে গাড়ী ধোৱা, গা ধোৱা, গছত পানী দিয়া আৰু ঘৰ পৰিষ্কাৰ – পৰিচ্ছন্ন কৰাত খৰচ হয়।

গৌৰৱ – তাৰমানে আমি যদি জলসম্পদ সংৰক্ষণ কৰিব বিচাৰোঁ, তেন্তে এইবোৰ কামৰ বআবে পানী হিচাপ কৰি ব্যৱহাৰ কৰাৰ অভ্যাস কৰিবই লাগিব আৰু আনকো শিকাব লাগিব।

অ শৰ্মা – হয়, খুব ভাল কথা! কেৱলমাত্ৰ অট্টালিকাবিলাকৰ পৰাই আজি কালি প্ৰায় শতকৰা ওঠৰ ভাগ সেউযী গৃহ গেছ নিৰ্গত হয়। তাৰমানে প্ৰায় ৯ নিযুত টন কাৰ্বন-ডাইঅক্সাইড গেছ বছৰে নিৰ্গত হয়। যদিহে আধুনিক নিৰ্মাণ – শৈলী গ্ৰহণ কৰা নহয়, তেন্তে এই গেছ নিৰ্গত হোৱা পৰিমাণ ২০৫০ চনলৈ দুগুন হ'বগৈ।

তিলক – দুগুন!! তেনেহ'লে পৃথিৱীত মানৱজাতি থাকিব জানোঁ?

বনানী – নাথাকে!

গৌৰৱ – বাৰু বাইদেউ! সেউজ অট্টালিকাৰ ধাৰণা প্ৰথমে কোনে উলিয়াইছিলনো?

অঃ শৰ্মা – ৰাকেল কাৰ্চনে লিখা ‘চাইলেণ্ট স্প্ৰিং’ মানে ‘নীৰৱ বসন্ত’ নামৰ গ্ৰন্থত ১৯৬২ চনত সেউজ অট্টালিকাৰ বিষয়ে প্ৰথম উল্লেখ কৰা হৈছে। এই কিতাপখনেই মানুহক প্ৰথমবাৰৰ বাবে এই বিষয়বোৰলৈ সতৰ্ক কৰিছিল।

ধৰিত্ৰী – কিন্তু আজিও দেখোন মানিহ এইবিষয়ে সচেতন নহয়।

কিশোৰ – এৰা ধৰিত্ৰী! এই সংঘাত চলি থাকিব। কিন্তু আমাৰ পৃথিৱীয়ে ইতিমধ্যে সতৰ্কবাৰ্তা আৰু জাননী দিবলৈ আৰম্ভ কৰিছে। যদি আমি সাৱধান নহওঁ, তেন্তে এই বেপৰোৱা মনভাৱেই হ'ব আমাৰ কাল।

বনানী – মাজে মেজেতো মোৰ ভাব হয়, যদি মানুহেই নাথাকে পৃথিৱী আকৌ আগৰ নিচিনা প্ৰদূষণহীন হ'ব, সুন্দৰ হ'ব আৰু আকৌ আমি আমাৰ বাসযোগ্য পৃথিৱীখন ঘূৰাই ... হাঃ হাঃ! তাৰমানে যত কূটৰ ঘাই আমি এই অবিবেচকী মানুহবোৰেই।

তিলক – এইবোৰ জনাৰ পাছত, বাইদেউ! মই প্ৰতিজ্ঞা কৰিছোঁ যিয়েই নাসাজোঁ, সেউজ অট্টালিকাৰ সকলো নিয়ম মানি চলিম আৰু মোৰ গ্ৰাহক সকলকো বুজাম।

অঃ শৰ্মা – হয়! এইটো সচাঁকৈয়ে প্ৰশংসনীয় হ'ব। ডাঙৰ পৰিৱৰ্তনত কাম হ'ব।

(সকলোৱে হাততালি দিয়ে)

আটায়ে – সেউজ প্ৰযুক্তি আৰু সেউজ অট্টালিকাই এতিয়া আমাৰ একমাত্ৰ ত্ৰাণকৰ্তা। সেউজ প্ৰযুক্তি জিন্দাবাদ, সেউজ অট্টালিকা জিন্দাবাদ!

***********************************************************************

প্ৰশ্ন ১. সেউজ অট্টালিকাৰ বিষয়ে প্ৰথম উল্লেখ কোনে ক’ত কৰিছিল?

- ৰাকেল কাৰ্লচনে ১৯৬২ চনত তেওঁৰ কিতাপ ‘দি চাইলেণ্ট স্প্ৰিঙ’ত।

প্ৰশ ২. সেউজী গৃহ গেছ শোষণ কৰিব পৰা চিমেন্টৰ উদ্ভাৱন কোনে ক’ত কৰিছে?

- নিক’লাচ ভ্লাচ’পৌলাচ নামৰ গৱেষক, লণ্ডনৰ ইম্পিৰিয়েল কলেজত।

*****************************************************************